AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## ৰজাৰ আদেশ

দানিয়েল ৬:১-২৮

## কাহিনী...



মেডিয়া–পাৰস্যৰ ৰজা দাৰিয়াবচে, বাবিল অধিকাৰ কৰাৰ পিছত, তেও এজন ব্যক্তিৰ বাদে বাকী আটাইবিলাক বাবিলীয়া চৰকাৰী বিষয়াক মৃত্যু দন্ড দিছিল । সেই সৌভাগ্যশালী ব্যক্তিজন আছিল দানিয়েল, ঈশ্বৰৰ এজন প্ৰকৃত দাস । ৭০ বছৰৰ আগতে তেওক এজন বন্দীয়াৰ হিচাপে যিহুদাৰ পৰা বাবিললৈ লৈ অনা হৈছিল আৰু বাবিলৰ ৰজাবিলাকৰ এজন পৰামৰ্শদাতা হিচাপে কাম কৰিবলৈ দিয়া হৈছিল । “এটা উত্তম আত্মাৰ” অধিকাৰী বুলি দানিয়েল ৰাজ্যৰ সৰ্ব্বত্ৰে জনাজাত আছিল । দানিয়েল ৫:১২; ৬:৩ ।

ৰজা দাৰযি়াবচে কৰ্ৱেল দানযি়েলৰ প্ৰাণ বচে াৱাই নহয়, কনি্তু তওে, সমুদায় ৰাজ্যৰ ওপৰত তওেক নযিুক্ত কৰবিলৈ চনি্তা কৰছিলি । দানযি়েল ৬:৩ । যতেযি়া মডেযি়া-পাৰস্যৰ বষিয়-ববীয়া সকলে জানবি পাৰছিলি যে ৰজাই এজন বৃদ্ধ ইব্ৰীয়া বন্দীয়াৰক তওেবলিাকৰ ওপৰত শাসনকৰ্ত্তা পাতবিলৈ গৈ আছে, তওেবলিাকে ঈৰ্ষাত জ্বলপিুৰি মৰছিলি আৰু খঙত খৰ্গগ্ৰস্ত হছৈলি । গতকিে তওেবলিাকে চক্ৰান্ত কৰি এখন আইনত দাৰযি়াবচক চহী তাক প্ৰবৰ্ত্তন কৰবিলৈ ফুচুলাইছলি যে পৰবৰ্ত্তী ৩০ দনিৰ ভতিৰত, কে ানে াবাই যদি ৰজাৰ বাহৰিে আন কে ানে া দৱেতা বা মানুহক প্ৰাৰ্থনা কৰে তনেতে তওেক সংিহৰ গাতত পলে াৱা হওক (দানযি়েল ৬:৭)। অতি স্পষ্টকৈ এই মানুহবলিাকে জানছিলি যে দানযি়েল তওেৰ প্ৰাৰ্থনাৰ জীৱনত অলৰ আৰু তওেৰ ঈশ্বৰ যহিে াৱাৰ বধিান পালনত দৃঢ়-প্ৰতজি্ঞ, যি বধিানে যকিে ানে া দৱেতাক আৰধনা কৰবিলৈ নষিধে কৰে (যাত্ৰাপুস্তক ২০:৩)।

তওেবলাকে যনেদেৰে আশা কৰছিলি, ঠকি সহৈদৰে বষিয়া সকলে তওেৰ খে ালা খৰিকিীৰ পৰা দানযি়েলক ঈশ্বৰক প্ৰাৰ্থনা কৰি থকা দখেছিলি আৰু হাতলুেতে ধৰছিলি । যতেযি়া ৰজা দাৰযি়াবচে আৱসি্কাৰ কৰছিলি যে তওে প্ৰতাৰতি হল আৰু তওেৰ বৃদ্ধ বন্ধু সংিহৰ গাতলৈ যাবলগীয়া হল, তওে সৰ্ব্বে াতে া উপায়ৰে তওে নজিে চহী কৰা মুৰ্খামীৰ বধিানৰ পৰা দানযি়েলক বচাবলৈ চষ্টো কৰছিলি । কনি্তু বধিানক সলনি কৰবি পৰা নাযায় । দালযি়েল সংিহৰ গাতলৈ গছৈলি আৰু ঈশ্বৰে সংিহৰ মুখ বন্ধ কৰবিলৈ এজন স্বৰ্গদূত প্ৰৰেন কৰাৰ দ্বাৰাই তওেৰ বশি্বস্ততাক পুৰস্কৃত কৰছিলি (দানযি়েল ৬:২২)।

ভাৱবানীয়ে আমাক কয় যে অন্তমি দনিত, ঈশ্বৰৰ লে াকসকলে কে ানজন ৰজাক আৰু কাৰ বধিানক মানবি সহৈ ক্ষত্ৰেত এই একে ধৰনৰ সদি্ধান্তকে লব লাগবি ।



পাঠ নং-৬

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়ি তলত দিয়া খালী ঠাইবোৰ পুৰন কৰক ।

## ১. ঈশ্বৰৰ নৈতিক বিধানক সংশোধন বা বাতিল কৰিব পৰা যায় নে?

**লূক ১৬:১৭** কিন্তু বিধানৰ এক বিন্দু __________ হোৱাতকৈ, আকাশ আৰু পৃথিবী গুচি যোৱাই উজু ।

**গীতমালা ৮৯:৩৪** মই মোৰ __________ লঙ্ঘন নকৰিম, আৰু মোৰ ওঁঠৰ পৰা ওলোৱা বাক্যৰ __________ নকৰিম।

**গীতমালা ১১১:৭, ৮** তেওঁৰ সকলো আজ্ঞা (বিধান) নিশ্চিত । সেইবোৰ __________ __________ অলৰ, সত্যতা আৰু সৰলতাত স্হাপিত ।

**মলাখী ৩:৬** কিয়নো মই যি যিহোৱা, মোৰ __________ নাই ...

**টোকা:** কোনো এটা পৰিস্হিতিতে ঈশ্বৰৰ দহ-আজ্ঞাৰ বিধান কেতিয়াও সংশোধন বা বাতিল কৰিব পৰা নাযায় । ই স্বয়ং ঈশ্বৰৰ দৰেই চিৰস্হায়ী । বাইবেলত তিনিবাৰ, পাৰ্থিব ৰজা (হেৰোদ, অহচবেৰোচ, আৰু দাৰিয়াবচ) আইন (বিধান) বনাইছিল আৰু তেওবিলাকে পিছত ইয়াক সলনি কৰিবলৈ বিচাৰিছিল কিন্তু কৰিব পৰা নাছিল । দুৰ্ব্বল আৰু থেৰোগোৰে কৰা ৰজাবিলাকৰ বিধানে যদি অপৰিবৰ্ত্তনীয় আছিল, তেন্তে কোনোবাই কেনেকৈ ভাবিবলৈ পাৰে যে নিজ আঙুলিৰে শিলৰ ফলিত লিখা ঈশ্বৰৰ অনন্তকালস্হায়ী বিধান সলনি হব পাৰে? তলত দিয়া, ঈশ্বৰ আৰু তেওঁৰ বিধানৰ মাজত কৰা তুলনাটোক লক্ষ্য কৰক ।

| ঈশ্বৰ | | তেওঁৰ বিধান |
|---|---|---|
| **লূক ১৮:১৯** | উত্তম | **ৰোমীয়া ৭:১২** |
| **যিচয়া ৫:১৬** | পবিত্ৰ | **োমীয়া ৭:১২** |
| **দ্বিতীয় বিৱৰন ৩২:৪** | ন্যায | **ৰোমীয়া ৭:১২** |
| **মথি ৫:৪৮** | সিদ্ধ | **গীতমালা ১৯:৭** |
| **১ম যোহন ৪:৮** | প্ৰেম | **ৰোমীয়া ১৩:১০** |
| **যাত্ৰাপুস্তক ৯:২৭** | ধাৰ্ম্মিক | **গীতমালা ১৯:৯** |
| **দ্বিতীয় বিৱৰন ৩২:৪** | সত্য | **গীতমালা ১১৯:১৪২, ১৫১** |
| **১ম যোহন ৩:৩** | শুদ্ধ | **গীতমালা ১৯:৮** |
| **যোহন ৪:২৪** | আত্মিক | **ৰোমীয়া ৭:১৪** |
| **মলাখী ৩:৬** | অপৰিবৰ্ত্তনীয় | **মথি ৫:১৮** |
| **আদিপুস্তক ২১:৩৩** | অনন্তকালস্হায়ী | **গীতমালা ১১১:৭,৮** |

ঈশ্বৰৰ বিধান কেতিয়াও সলনি হব নোৱাৰে, কাৰন ই হৈছে তেওঁৰ চৰিত্ৰৰ প্ৰতিলিপি । শাস্ত্ৰীয় বচনৰ আটাইতকৈ গৌৰৱময় বাক্য সেইবোৰ যি ঈশ্বৰেও নিজৰ বিধানৰ বৰ্ননা কৰে বুলি ব্যাখ্যা কৰে । ঈশ্বৰৰ বিধান হৈছে তেওঁৰ চৰিত্ৰৰ লিখিত ৰূপ । ঈশ্বৰে নিজকে সলনি কৰিব নোৱাৰাৰ দৰে ঈশ্বৰৰ বিধানক সলনি কৰাতোও কোনোমতে সম্ভৱ নহয় ।

## ২. বাইবেলৰ মতে, পাপ মানে কি?

**১ম যোহন ৩:৪** পাপেই [redacted] ।

**ৰোমীয়া ৩:২০** কাৰন [redacted] দ্বাৰাই পাপৰ বিষয়ে জ্ঞান জন্মে ।

**টোকা:** চয়তানে বিধানক ঘৃণা কৰে, কাৰন ই আমাক সচেতন কৰি দিয়ে যে পাপৰ পৰা ৰক্ষা পাবলৈ আমাক এজন ত্ৰাণকৰ্তাৰ প্ৰয়োজন । ৰোমীয়া ৪:১৫ পদত কৈছে যে, "যত বিধান নাই, তাত উলঙ্ঘনো নাই" । বিধানে কাকো ৰক্ষা কৰিব নোৱাৰে, কিন্তু ই আমাক ঈশ্বৰৰ সিদ্ধতাক আৰু আমাৰ অসিদ্ধতাক দেখুওৱাই দিয়ে ।

## ৩. ১ম যোহন ৩:৪ পদে কোনটো বিধানৰ কথা কৈছে?

**ৰোমীয়া ৭:৭** পাপনো কি, তাক মই [redacted]; কেৱল বিধানৰ দ্বাৰাই জানিবলৈ পালো; কিয়নো লোভ নকৰিবা; বিধানে ইয়াক নোকোৱা হলে, [redacted] নো কি, তাক নাজানিলোহেতেন ।

**টোকা:** ই হৈছে ঈশ্বৰৰ দহ-আজ্ঞাৰ বিধান যত আজ্ঞা কৰা আছে, "তুমি লোভ নকৰিবা", গতিকে ঈশ্বৰৰ দহ-আজ্ঞা, যাক তেও নিজৰ আঙুলিৰে লিখিছিল, উলঙ্ঘন কৰায়ে হৈছে পাপ (যাত্ৰাপুস্তক ৩১:১৮; ৩২:১৬)। প্ৰতিটো পাপ যাক কোনোবাই যদি কেতিয়াবা কৰিছে, তেন্তে সি দহ-আজ্ঞাৰ এটা নহয় এটা আজ্ঞাৰ দ্বাৰাই দোষী সাব্যস্ত হৈছে। এই কাৰনে ঈশ্বৰৰ বিধানক কোৱা হৈছে, অসীম (গীতমালা ১১৯:৯৬) আৰু সিদ্ধ (গীতমালা ১৯:৭)। ইয়াক পালন কৰাতোৱে হৈছে, "মানুহৰ সকলো কৰ্ত্তব্য কৰ্ম্ম" (উপদেশক ১২:১৩)। আমি যেতিয়া আমাৰ পাপৰ প্ৰতি সচেতন হও, আমি এজন ত্ৰাণকৰ্ত্তা বিচাৰো । সেই কাৰনে চয়তানে বিশেষ ৰূপত বিধানক ঘৃণা কৰে, কাৰন ই আমাক পৰিত্ৰান আৰু পাপৰ ক্ষমা পাবলৈ যীচুৰ ওচৰলৈ পঠিয়াই দিয়ে ।

## ৪. যীচুৱে দহ-আজ্ঞাবোৰ পালন কৰিছিল নে?

**যোহন ১৫:১০** মই যেনেকৈ পিতৃৰ [redacted] পালন কৰি

**টোকা:** বাস্তৱিকতে যীচুৱে দহ-আজ্ঞাবোৰ পালন কৰিছিল আৰু আমাৰ নিমিত্তে আৰ্হি এৰি গৈছিল (১ম পিতৰ ২:২১)।

## ৫. কিমান মানুহে পাপ কৰিছে বাৰু?

**ৰোমীয়া ৩:২৩** [redacted] পাপ কৰিলে আৰু ঈশ্বৰৰ মহিমাৰ পৰা বঞ্চিত হৈছে ...

# পাঠ নং-৬

## ৬. এটা পাপপূর্ণ জীৱন জীয়াই থকাৰ শাস্তি কি?

**ৰোমীয়া ৬:২৩** পাপৰ বেচ [redacted]

**টোকা:** যদি ঈশ্বৰৰ বিধানক সলনি কৰিব পৰা গলহেতেন, তেন্তে ক্রুচৰ ওপৰত যীচু মৰিবলৈ প্রয়োজন নহলহেতেন । সত্য কথাটো এয়ে যে, যীচুৱে পাপৰ শাস্তি ভুগি মৰিবলগীয়া হোৱাটোৱে এইটোকে প্রমান কৰে যে বিধান অপৰিবৰ্ত্তনীয় ।

## ৭. কিছুমানে কয় নতুন নিয়মৰ খ্রীষ্টিয়ান বিলাকে হেনো দহ-আজ্ঞা পালন কৰাৰ বাধ্য-বাধকতা নাই । এই ক্ষেত্রত যীচুৱে কি কৈছে বাৰু?

**মথি ১৯:১৭** তুমি যদি সেই জীৱনত সোমাবলৈ ইচ্ছা কৰা, তেন্তে আজ্ঞাবোৰ [redacted] কৰা ।

**যোহন ১৪:১৫** তোমালোকে যদি মোক প্রেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ [redacted] কৰিবা ।

**প্রকাশিতবাক্য ২২:১৪** (কেজিভি) ... তেওবিলাক ধন্য যিবিলাকে তেওৰ আজ্ঞাবোৰ [redacted] কৰে।

**প্রকাশিতবাক্য ১৪:১২** ইয়াতে ঈশ্বৰৰ আজ্ঞা আৰু যীচুৰ বিশ্বাস [redacted] কৰা পবিত্রবিলাকৰ ধৈৰ্য্য দেখা যায়।

**টোকা:** নতুন নিয়মে অতি সহজভাৱে শিকাইছে যে, ঈশ্বৰৰ লোকবিলাকে তেওৰ আজ্ঞাবোৰ পালন কৰিব । আমি সকলোৱে জানো যে আজিৰ পৃথিবীখনে মহা সমস্যাত ককবকাই আছে কাৰন সৰহ সংখ্যকে ঈশ্বৰৰ বিধান পালন কৰাৰ প্রয়োজনীয়তাক অনুভৱ নকৰা হৈ গল । আমালোকৰ দিনলৈকে লক্ষ্য কৰি বাইবেলে এইদৰে কৈছে, “যিহোৱাই কাৰ্য্য কৰিবৰ সময় হৈছে, কিয়নো সিহতে তোমাৰ ব্যৱস্হা(বিধান) ব্যৰ্থ কৰিলে” (গীতমালা ১১৯:১২৬)।

## ৮. আজ্ঞাবোৰ কেনেকৈ পালন কৰা সম্ভৱ বাৰু?

**ৰোমীয়া ৮:৩, ৪** ... [redacted] যেন বিধানৰ ধাৰ্ম্মিকতা সিদ্ধ কৰা হয়, এই নিমিত্তে বিধানে মাংসৰ কাৰনে দুৰ্ব্বল হোৱাত যি কৰিব নোৱাৰিলে, ঈশ্বৰে নিজৰ পুত্রক পাপময় মাংসৰ সাদৃশ্যেৰে পঠাই পাপৰ অৰ্থে, মাংসত পাপৰ দন্ডাজ্ঞা দি তাক কৰিলে ।

**ফিলিপীয়া ১:৩** যি জনাই [redacted] সতকৰ্ম্মৰ আৰম্ভ কৰিলে, তেৱেঁই তাক যীচু খ্রীষ্টৰ আগমনৰ দিনলৈকে সিদ্ধ কৰি থাকিব

**ফিলিপীয়া ৪:১৩** (কেজিভি) মোক শক্তি দিয়া [redacted] থাকি, মই সকলোবোৰ কৰিব পাৰো ...

**টোকা:** যেতিয়া এজন ব্যক্তিৰ নতুনকৈ জন্ম হয়, যীচু খ্ৰীষ্টই, তেওঁৰ পবিত্ৰ আত্মাৰ যোগেদি সেই ব্যক্তি জনৰ জীৱনৰ ভিতৰলৈ সোমাই যায় আৰু আচাৰ্য্যজনকভাৱে বাধ্যতাক সম্ভৱ কৰি তোলে ।

## ৯. পুৰনি নিয়ম কি বাৰু আৰু ই কিয় অফল হৈছিল?

**দ্বিতীয় বিৱৰন ৪:১৩** আৰু তেওঁ নিজৰ যি নিয়মটি পালন কৰিবলৈ তোমালোকক আজ্ঞা কৰিছিল, সেই নিয়মটি অৰ্থাত [redacted] [redacted] তেওঁ তোমালোকক, জনালে আৰু দুখন শিলৰ ফলিত তাক লিখিলে ।

**ইব্ৰী ৮:৮** কাৰন [redacted] ধৰি [redacted] কয়, বোলে, ... প্ৰভুৱে কৈছে ... যি দিনত মই ইস্ৰায়েল-বংশে সৈতে, আৰু যিহুদাৰ বংশে সৈতে নতুন নিয়ম সম্পন্ন কৰিম ...

## ১০. কোনটো বিধানৰ ওপৰত নতুন নিয়ম আধাৰিত?

**ইব্ৰী ৮:১০** কাৰন প্ৰভুৱে কৈছে, সেই দিনৰ পাছত,ইস্ৰায়েল-বংশে সৈতে মই এই নিয়ম স্হাপন কৰিম; তেওবিলাকৰ চিত্তত [redacted] [redacted] দিম আৰু তেওবিলাকৰ [redacted] তাক লিখিম; আৰু

**টোকা:** এই দুটা নিয়ম ঈশ্বৰ আৰু তেওঁৰ লোকসকলৰ মাজত হোৱা চুক্তি আছিল । পুৰনি নিয়ম অফল হৈছিল কাৰন ই লোকসমুহৰ দোষ-যুক্ত প্ৰতিজ্ঞা আৰু কাৰ্য্যবোৰৰ ওপৰত আধাৰিত আছিল ।

**যাত্ৰাপুস্তক ২৪:৭** তেওবিলাকে কলে, যিহোৱাই যি যি কৈছে, সেই সকলোকে আমি পালন কৰিম, আৰু তেওঁৰ আজ্ঞাধীন হম । নতুন নিয়ম সফল হৈছে কাৰন ঈশ্বৰৰ বিধান হৃদয়ত লিখা হল আৰু ই যীচুৰ প্ৰতিজ্ঞা আৰু তেওঁৰ আচৰিত কাৰ্য্য কৰা ক্ষমতাৰ ওপৰত আধাৰিত ।

**ইব্ৰী ৮:১০** তেওবিলাকৰ চিত্তত মোৰ বিধান দিম আৰু তেওবিলাকৰ হৃদয়ত তাক লিখিম.

এজন ব্যক্তিৰ পম্পূৰ্ণ প্ৰকৃতিটোৱে সলনি হৈ পৰে, গতিকে ঈশ্বৰৰ ইচ্ছা পালন কৰাত তেওঁ পৰম আনন্দ বিচাৰি পায় । মন কৰিব যে নতুন নিয়ম সেই একেই বিধানৰ ওপৰত আধাৰিত, কিন্তু ইয়াক এটা বেলেগ স্হানত (হৃদয়ত) লিখা হৈছে আৰু ই উত্তম প্ৰতিজ্ঞাবোৰৰ (ঈশ্বৰৰ) ওপৰত আধাৰিত ।

## ১১. বিশ্বাসৰ দ্বাৰাই অনুগ্ৰহৰ অধীনত জীয়াই থকাতোৱা ঈশ্বৰৰ বিধান পালন কৰাক অপ্ৰয়োজনীয় কৰি তোলা নাই নে?

**ৰোমীয়া ৬:১৫** তেন্তে কি? আমি বিধানৰ অধীন নহৈ, অনুগ্ৰহৰ অধীন হোৱাৰ কাৰনে পাপ কৰিব (বিধান উলঙ্ঘন) পাওঁ নে? [redacted] [redacted]।

**ৰোমীয়া ৩:৩১** তেন্তে আমি বিশ্বাসৰ দ্বাৰাই বিধান লুপ্ত কৰিছো নে? এনে নহওক; [redacted] [redacted]।

# পাঠ নং - ৬

**টোকা:** তেওঁৰ বিধান উলঙ্ঘন কৰাৰ নিমিত্তে যীচুৰ দ্বাৰাই যিবিলাকে পাপৰ ক্ষমা লাভ কৰিলে, তেওঁবিলাকৰ বাবে তেওঁৰ বিধান বাধ্যতাৰে পালন কৰাতো নিসন্দেহে এটা পৰম কৰ্ত্তব্য হৈ পৰে । আৰু তেওঁৰ আৰ্শীবাদময় পাপ-ক্ষমাৰ চেতনাবোধত, তেওঁবিলাকে আনতকৈ অধিক পৰিমানে আনন্দেৰে যীচুক অনুসৰন কৰিবলৈ অধিক আকাংক্ষ্যা কৰিব ।

## ১২. বিধান পালন কৰাৰ দ্বাৰাই মানুহে পৰিত্ৰাণ পায় নে?

**ইফিচীয়া ২:৮, ৯** কিয়নো [redacted] [redacted] দ্বাৰাই তোমালোকে পৰিত্ৰাণ পালা; সেয়ে তোমালোকৰ পৰা নহয়; ঈশ্বৰহে দান । কোনেও যেন শ্লাঘা কৰিব নোৱাৰে, এই নিমিত্তে সেয়ে কৰ্ম্মৰ পৰাও নহয় ।

**টোকা:** ঈশ্বৰৰ বিধান পালন কৰাৰ দ্বাৰাই কোনেও পৰিত্ৰাণ পাব নোৱাৰে । সকলোৱে ঈশ্বৰৰ আচৰিত কৰ্ম্ম অনুগ্ৰহৰ দ্বাৰাইহে পৰিত্ৰাণ পাইছে । কিন্তু যিবিলাকে যীচুৰ অনুগ্ৰহৰ দ্বাৰাই পৰিত্ৰাণ পাইছে নতুবা পৰিবৰ্ত্তন হৈছে তেওঁবিলাকে তেওঁৰ প্ৰতি তেওঁবিলাকৰ প্ৰেম আৰু ধন্যবাদ প্ৰকাশ কৰা চিনস্বৰূপে তেওঁৰ বিধান পালন কৰিবলৈ বাঞ্ছা কৰিব ।

**যোহন ১৪:১৫** “তোমালোকে যদি মোক প্ৰেম কৰা, মোৰ আজ্ঞাবোৰ পালন কৰিবা” ।

## ১৩. এজন ব্যক্তিক কিহে বাৰু ঈশ্বৰৰ বিধান পালন কৰিবলৈ বাধ্য কৰায়?

**ৰোমীয়া ১৩:১০** এতেকে [redacted] বিধানৰ সিদ্ধি ।

**মথি ২২:৩৭-৩৯** তাতে যীচুৱে কলে, “তুমি সকলো [redacted], সকলো প্ৰাণ, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা;” এয়ে প্ৰধান আৰু প্ৰথম আজ্ঞা । আৰু তাৰে নিচিনা দ্বিতীয়টো এই : “তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা” ।

**১ম যোহন ৫:৩** কিয়নো আমি যেন ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰো, [redacted] দিয়া [redacted] অভিপ্ৰায় এয়েই ...

**টোকা:** প্ৰেম হৈছে অতিশোভাযুক্ত আকাংক্ষ্যা সলনি কৰা কাৰক । প্ৰথম চাৰিটা আজ্ঞা হৈছে ঈশ্বৰৰ প্ৰতি থকা মোৰ কৰ্ত্তব্য । মই যেতিয়া তেওঁক প্ৰেম কৰো, এই আজ্ঞাবোৰ পালন কৰাতো এটা আনন্দৰ বিষয় হৈ পৰে । বাকী ছয়টা আজ্ঞা হৈছে মানুহৰ প্ৰতি থকা মোৰ কৰ্ত্তব্য । যদি মই প্ৰকৃততে মানুহক প্ৰেম কৰো, মই এনে কাম কৰিবলৈ নিবিচাৰিম যি তেওঁবিলাকক আঘাট দিয়ে ।

## ১৪. তেওঁৰ আজ্ঞাবোৰ পালন নকৰাকৈ মই এজন প্ৰকৃত খ্ৰীষ্টিয়ান হব পাৰিম নে?

**১ম যোহন ২:৩, ৪** আৰু আমি তেওঁৰ আজ্ঞাবোৰ যদি [redacted] কৰো, তেন্তে তাৰ দ্বাৰাই আমি জানো যে,, তেওঁক জানিলো । “মই তেওঁক জানিলো” ইয়াকে বুলি, যি কোনোৱে তেওঁৰ আজ্ঞাবোৰ পালন নকৰে, তেও [redacted], আৰু তেওঁৰ অন্তৰত সত্য নাই ।

## ১৫. পুৰনি নিয়মৰ কিছুমান আজ্ঞা খ্ৰীষ্টিয়ান সকলৰ ওপৰত বলবত হৈ থকা নাই, নহয় জানো?

**ইফিচীয়া ২:১৫** [redacted] থকা আজ্ঞাসমুহৰূপ বিধান লুপ্ত কৰিলে।

**টোকা:** হয়, মোচিৰ ব্যৱস্হাৰ পুস্তকত থকা আজ্ঞাসমুহৰূপ বিধান যিয়ে নেকি পুৰোহিতৰ কাৰ্য্য প্ৰনালী আৰু জাগ-যজ্ঞীয় বলি-বিধানৰ নিয়ম ঠিক কৰিছিল, বিলুপ্ত কৰা হৈছিল কাৰন এইবোৰ খ্ৰীষ্টৰ ছা-স্বৰূপ আছিল (কলচীয়া ২:১৩-১৭) । ঈশ্বৰৰ প্ৰকৃত মেৰ-পোৱালি হৈ তেও সেইবোৰ সিদ্ধ কৰিছিল ।

## ১৬. বিশেষ ৰূপত চয়তানে কাক ঘৃণা কৰে?

**প্ৰকাশিকবাক্য ১২:১৭** তাতে নাগে (চয়তান) সেই [redacted] (মন্ডলি) খং উঠি, তেওৰ বংশৰ অৱশিষ্ট লোক (অন্তিম সময়চোৱাত বিশ্বাসী হৈ থকা লোক) অৰ্থাত ঈশ্বৰৰ [redacted] কৰা, আৰু যীচুৰ সাক্ষ্য ধাৰন কৰাবিলাকে সৈতে যুদ্ধ কৰিবলৈ গল

**টোকা:** ঈশ্বৰৰ অন্তিম সময়ৰ মন্ডলিক চয়তানে ঘৃণা আৰু খং কৰে । কাৰন ইহতে যীচুৰ আজ্ঞাবোৰক পালন কৰে আৰু মানুহক সেইবোৰ কথা শিকাই যত এজন পাপীক এজন সাধু ভক্তলৈ সলনি কৰাৰ ঐশ্বৰিক শক্তি থাকে ।

## ১৭. ঈশ্বৰৰ আজ্ঞা পালন কৰাৰ আৰু কিছুমান কি কি পুৰস্কাৰ আছে?

**যোহন ১৫:১১** মোৰ আনন্দ যেন তোমালোকত থাকে, আৰু তোমালোকৰ [redacted] যেন [redacted] হয়, এই নিমিত্তে তোমালোকক এইবোৰ কথা কলো ।

**হিতোপদেশ ২৯:১৮** যি মানুহে ব্যৱস্হা(বিধান) পালন কৰে, তেও [redacted] (কেজিভি)

**গীতমালা ১১৯:১৬৫** যিবিলাকে তোমাৰ ব্যৱস্হাক (বিধান) প্ৰেম কৰে, তেওবিলাকৰ [redacted] হয় তেওবিলাক উজুটি খোৱাৰ কোনো কাৰন নাই ।

**টোকা:** যিবিলাকে ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰে, তেওবিলাকে সুখ আনন্দ শান্তি আৰু অধিক উপচি পৰা জীৱন লাভ কৰে । দায়ুদে কোৱা কথাষাৰত আচৰিত হবলগীয়া একো নাই যে ঈশ্বৰৰ আজ্ঞাবোৰ সোনতকৈয়ো বাঞ্চনীয় (গীতমালা ১৯:১০)

# আপোনাৰ সহাৰি

আপুনি যীচুৰ সৈতে মৰমৰ এনাজুৰিৰে বান্ধ খায় থকা এটা সমন্ধ গঢ়িবলৈ বাঞ্চা কৰে নে, যি সমন্ধটোৱে আপোনাক তেওৰ আনন্দিত বাধ্য সন্তান হবলৈ আগবঢ়াই নিব?

**উত্তৰ:** [redacted]

# সংযোজন

এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব ।

## বাইবেল চৰিত্ৰ আৰু যীচুৰ মাজত কিছুমান সাদৃশ্য

বাইবেলৰ অনেক নায়ক সকল যীচুৰ নিদৰ্শন আৰু চানেকি । মোচি, যোচেফ, দায়ুদ, আৰু চলোমন, এওলোক তেওলোকৰ জীৱনৰ কোনোবা নহয় কোনোবা এটা সময়ত খ্ৰীষ্টৰ জীৱন আৰু পৰিচৰ্য্যাৰ প্ৰতিচ্ছবি দাঙি ধৰিছিল । তেওলোকৰ অভিজ্ঞতাৰ মাজত থকা সাদৃশ্যতাবোৰ উদ্দেশ্য প্ৰনোদিতভাৱেই জগত বাসীৰ নিমিত্তে সহায়ক আছিল যাতে জগতবাসীয়ে যীচুক ঈশ্বৰৰ পুত্ৰ বুলি চিনি পায় ।

তেনেকুৱা এক আত্মিক সাদৃশ্যতাত বিধান আৰু সিংহৰ সৈতে হোৱা দানিয়েলৰ অভিজ্ঞতাটো এটা উদাহৰন । তলত দিয়া সাদৃশ্যবোৰলৈ মন কৰক ।

- মেডিয়া-পাৰস্যৰ বিষয়-ববীয়া বিলাকে দানিয়েলক তেওৰ উচ্চ-পদবীৰ পৰা গুচাব বিচাৰিছিল কাৰন ৰজাৰ সৈতে থকা তেওৰ নিবিড়-সম্বন্ধটোক সিহতে ঈৰ্ষা কৰিছিল । দানিয়েল ৬:৩ পদে কৈছে, “ৰজাই তেওক সমুদায় ৰাজ্যৰ ওপৰত নিযুক্ত কৰিবলৈ মন কৰিলে” । একেদৰে যিৰূচালেমৰ চলাওতা সকলে যীচুৰ পৰা মুক্ত হবলৈ বিচাৰিছিল কাৰন বিশ্বব্ৰহ্মান্ডৰ ৰজা জনাৰ সৈতে থকা তেওৰ নিবিড়-সম্বন্ধটোক সিহতে ঈৰ্ষা কৰিছিল (যোহন ৫:১৮-২০)।
- দানিয়েলে কিবা ভুল কাম কৰে নেকি বা ভুল কথা কৈ নেকি তাক ধৰিবলৈ মেডিয়া-পাৰস্যৰ বিষয়-ববীয়া সকলে তেওৰ সোৱে-বাওৱে লগত ঘুৰি ফুৰিছিল (দানিয়েল ৬:৪) । যীচুৰ দিনৰ ধৰ্ম্মীয় নেতা বিলাকেও যীচুৰ পিছত গুপ্তচৰ লগাই দিছিল কিজানিবা তেও ভুল কাম কৰা বা কিবা ভুল কথা কোৱা ধৰিব পৰা যায় (লূক ২০:১৯, ২০) ।
- দানিয়েলৰ শত্ৰুবিলাকে তেওৰ গাত কোনো ভুল উলিয়াব পৰা নাছিল, সেই গতিকে সিহতৰ উদ্দেশ্য চৰিতাৰ্থ কৰিবলৈ এটা কু-অভিসন্ধি ৰচনা কৰিছিল (দানিয়েল ৬:৫-৯)। একেদৰে যীচুৰ নিমিত্তে জাল পেলাবলৈ প্ৰধান পুৰোহিত আৰু ধৰ্ম্মগুৰুবিলাকে ইস্কোৰেতিয়া যিহোদাৰ সৈতে চক্ৰান্ত কৰিছিল (লূক ২২:২-৬) । যিকি নহওক পিলাতে ঘোষণা কৰিবলৈ বাধ্য হৈছিল যে তেও যীচুৰ গাত কোনো দোষ বিচাৰি নাপালে (যোহন ১৯:৪)।
- সিংহৰ গাতত দানিয়েলক পেলাই দিয়াৰ পিছত, গাতটোৰ প্ৰৱেশ দুৱাৰত এটা শিল ৰখা হৈছিল আৰু তাত ৰজাৰ ছীল-মোহৰ মৰা হৈছিল (দানিয়েল ৬:১৬, ১৭)। যীচুকো এটা মৈদামত ৰখা হৈছিল যিটো মৈদামৰ প্ৰৱেশ দুৱাৰত এটা প্ৰকান্ড শিল ৰখা হৈছিল আৰু তাত গৰ্ভমেন্টৰ দ্বাৰাই ছীল-মোহৰ মৰা হৈছিল (মথি ২৭:৫৮-৬০, ৬৫, ৬৬)।
- দানিয়েল আৰু যীচু উভয়ে নিৰ্দোষী আছিল আৰু তেওবিলাকৰ মৃম্ময় ফাটেকৰ পৰা জীৱন্তে ওলাই আহিছিল (দানিয়েল ৬:২৩; মাৰ্ক ১৬:৫,৬)।

বাইবেল চৰিত্ৰসমুহৰ জীৱন আৰু যীচুৰ জীৱনৰ মাজত যদি আপুনি আৰু কিছুমান সাদৃশ্য বিচাৰি পাব পাৰে, বিচাৰি চাওক !

Amazing Facts India

Panorama of Prophecy, Lesson 6
©2023 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
For more uplifting, life changing resources visit **Bookstore.AFTV.in**

ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE